**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-DEC-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ব্ৰহ্মপুত্ৰৰ জাহাজত ২১ ডিচেম্বৰত অসমৰ নিৰ্বাচিত শিক্ষাৰ্থীৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **পৰীক্ষা পে চৰ্চা**।

২। ডিব্ৰুগড়ত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন। ২৩ হাজাৰ ৭৯১ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ।

৩। নগাঁৱৰ ধিঙত আজি দ্বিতীয় দিনাও প্ৰশাসনৰ উচ্ছেদ অভিযান অব্যাহত।

৪। ১৫ জানুৱাৰীৰ ভিতৰত এ ডি আৰ ইৰ তৃতীয় বৰ্গৰ পদৰ নিযুক্তি পত্ৰ বিতৰণ।     **আৰু**

৫। লক্ষ্ণৌত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০ ডিচেম্বৰত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন টাৰ্মিনেল মুকলি কৰাৰ লগতে গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া বৰঝাৰ বিমান বন্দৰ ভ্ৰমণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এইকথা সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা মতে অহা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লি ২ বাজি ৪৫ মিনিটত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰিব। ইয়াৰ পাছত তেওঁ বিমানবন্দৰৰ নতুন টাৰ্মিনেল মুকলি কাৰ্যসূচীৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানৰ অংশ হিচাপে বিমানবন্দৰৰ চৌহদৰ ভিতৰতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উদ্বোধন কৰিব। তেওঁ বিমানবন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধন কৰাৰ পাছত টাৰ্মিনেল ভৱনৰ ভিতৰত ১৫ মিনিট সময় কটাই এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী বৰঝাৰ বিমান বন্দৰৰ পৰা বিজেপিৰ ৰাজ্যিক কাৰ্যালয়লৈ যাব আৰু দলীয় কৰ্মীসকলৰ সৈতে কিছুসময় কটাব। নিশাটো গুৱাহাটীত কটোৱাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে ২১ ডিচেম্বৰত পুৱা গুৱাহাটীৰ নৌ পৰিবহন টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫-৩০ গৰাকী  শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। তেওঁ লগতে অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব আৰু ৮৬০ গৰাকী ছহিদলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। তাৰ পিছত প্ৰধানমন্ত্ৰী ডিব্ৰুগড়লৈ ৰাওনা হ'ব। তাত তেওঁ প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া নামৰূপৰ এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু স্থানীয় বিধায়ক তৰংগ গগৈয়ে কালি প্ৰধানমন্ত্ৰীৰ নামৰূপৰ সভাস্থলী পৰিদৰ্শন কৰি কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীদ্বয়ে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত বিভাগীয় বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়।

মন্ত্ৰী পীযূষ হাজৰিকা কালি পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বাটৰহাটৰ থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ আগমন সন্দৰ্ভত বৈঠকত মিলিত হয়। এই বৈঠকত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন গোস্বামীকে ধৰি বিভিন্নজনে অংশগ্ৰহণ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাত **বিকাশৰ নতুন প্ৰভাত** কাৰ্যসূচীত অংশগ্ৰহণ কৰি কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ লগতে আত্মসহায়ক গোটৰ মহিলাসকলক চেক বিতৰণ কৰিব। এই উপলক্ষে মৰাণৰ অভয়পুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প খেলপথাৰত আজি দিনৰ চাৰে ১০ বজাৰ পৰা বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই টিংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৭৯১ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। তদুপৰি তেওঁ মৰাণত ১২ কোটি ৩২ লাখ টকা ব্যয়ৰে নিৰ্মাণ হোৱা অভয়পুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰিব। আনহাতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই তৃতীয় পৰ্যায়ৰ অসম মালাৰ অধীনত ৩৬ কোটি ৯২ লাখ টকা ব্যয়ৰে মৰাণ-নিতাই পথৰ মৰাণ টাউনক্লাবৰ পৰা গজপুৰীয়া লুকুমাৰী অংশৰ ৯ দশমিক ৩ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু বহলীকৰণৰ আধাৰশিলা স্থাপন কৰিব। একেদৰে তেওঁ ১৯ কোটি ৫০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া টিংখাং সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু মৈত্ৰী আঁচনিৰ অধীনত ২ কোটি ১৫ লাখ টকাৰে নিৰ্মাণ কৰিবলগীয়া মৰাণ আৰক্ষী থানা ভৱনৰ আধাৰশিলা স্থাপন কৰিব। এই কাৰ্যসূচীত মন্ত্ৰী যোগেন মহন আৰু বিমল বৰাই অংশগ্ৰহণ কৰিব।

০০০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত প্ৰশাসনে আজি দ্বিতীয় দিনাও উচ্ছেদ অভিযান চলাব। আজি ৰৌমাৰী বিল, মৈৰাধবজ, বেচামাৰী, শালমৰাবৰি, অকৰাবৰি আৰু গেলেকনি বিলৰ ভূমি দখলমুক্ত কৰাৰ বাবে অভিযান চলোৱা হ'ব। এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষীৰ লোক নিয়োগ কৰা হৈছে। এই অভিযান ১৯ আৰু ২০ ডিচেম্বৰতো চলিব। উল্লেখযোগ্য যে কালি পুৱা ৮ বজাত আৰম্ভ কৰা এই অভিযানত টুকটুকী, শালনাবাৰী আৰু আহোম গাঁৰৰ অবৈধভাৱে পুখুৰী খনন কৰা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়। অঞ্চলটোত বহুলোকে কেইবা বছৰ ধৰি বৃহৎ পুখুৰী খনন কৰি অবৈধভাৱে মাছৰ ব্যৱসায় কৰি আহিছে। কালিৰ এই অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। কালি এই অভিযানস্থলীত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। এই অভিযান সন্দৰ্ভত আয়ুক্ত শ্ৰী শৰ্মাই এইদৰে কয়

**বাইট**

০০০০০০

ৰাজ্য চৰকাৰে ১৫ জানুৱাৰীৰ ভিতৰত এ ডি আৰ ই তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি সম্পূৰ্ণ কৰিব। স্বাস্থ্য বিভাগৰ নিযুক্তি ২২ ডিচেম্বৰত আৰু চাহ বাগিচাৰ পৰা বিভাগটোৰ বিভিন্ন পদৰ বাবে বাছনি লাভ কৰা যুৱক-যুৱতীসকলক ২৩ ডিচেম্বৰত নিযুক্তি প্ৰদান কৰা হ'ব। ইয়াৰ লগতে অভিযান্ত্ৰিক কৃষিকে ধৰি কেইবাটাও বিভাগৰ নিযুক্তি পত্ৰ ১০ ফেব্ৰুৱাৰীৰ পূৰ্বে প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে এই বিষয়ে প্ৰকাশ কৰে।

বাইট

ৰাজ্য চৰকাৰে শীঘ্ৰেই ৭৫ হাজাৰ ল'ৰা ছোৱালীক মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত আত্মসংস্থাপনৰ সুবিধা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইয়াৰ বাবে বাছনি প্ৰক্ৰিয়া শেষ হৈছে আৰু ১৫ জানুৱাৰীৰ পাছত এই আঁচনিৰ অধীনত যুৱক-যুৱতীসকলক আত্ম-সংস্থাপনৰ সুবিধা দিয়া হ'ব বুলি তেওঁ কয়। প্ৰতিখন জিলা সদৰত এই আঁচনিৰ হিতাধিকাৰীসকলক ধন বিতৰণ কৰা হ'ব বুলি তেওঁ কয়।

ইপিনে, অসম আৰক্ষীত খালী হৈ থকা দুহেজাৰ ৩৫০ টা পদ পূৰণ কৰাৰ বাবে বিভাগটোৱে কালি বিজ্ঞাপন প্ৰকাশ কৰে। ইয়াৰে দুহেজাৰ ২৩৭ টা পদ অসম আৰক্ষী আৰু ১১৩টা পদ বন বিভাগৰ। বিজ্ঞাপন অনুসৰি ৪৮

টা উপ-পৰিদৰ্শক পদ, ৩৯টা সহকাৰী কাৰাধ্যক্ষ, এহেজাৰ ৫২ টা কনিষ্টবলৰ পদকে ধৰি বিভিন্ন পৰ্যায়ৰ পদৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে।

oooooo

অসম চৰকাৰৰ দক্ষতা বিকাশ অভিযানৰ অধীনত শিৱসাগৰ জিলাৰ শুকান পুখুৰী বৰ্ণ কুটিৰ শিল্পগ্ৰামত দহদিনীয়া বিশেষ মুখা প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিৰ অন্যতম উপাদান মুখা নিৰ্মাণৰ সকলো দিশ সামৰি লোৱা এই শিবিৰত ১০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। এই প্ৰশিক্ষণত ভাওনাত ব্যৱহাৰ কৰা মুখাসমূহ স্থানীয়ভাৱে পোৱা সামগ্ৰী বাঁহ, খেৰ, বোকামাটি, গোবৰ আদিৰে সাজি উলিওৱাৰ ব্যৱহাৰিক কৌশল প্ৰণালীবদ্ধভাৱে শিকোৱা হৈছে। মুখাশিল্পী সুজিত বৰুৱাই এই কাৰ্যসূচীত মুখ্য প্ৰশিক্ষক হিচাপে অংশ লৈছে। প্ৰশিক্ষকগৰাকীয়ে এই প্ৰশিক্ষণ সন্দৰ্ভত এইদৰে কয় –

**বাইট**

২৪ ডিচেম্বৰত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি পৰিব।

oooooo

মণিপুৰত আজিৰেপৰা তিনিদিনীয়াকৈ অষ্টাদশ ৰাজ্যিক অ'ৰেঞ্জ ফেষ্টিভেল অৰ্থাৎ কমলা উৎসৱৰ আয়োজন কৰা হৈছে। ৰাজ্যখনৰ সৰ্বাধিক কমলা উৎপাদন হোৱা তামেংলং জিলাত এই উৎসৱৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে এই জিলাখনত উৎপাদিত কমলাৰ অনন্য সোৱাদ আৰু গুণাগুণৰ বাবে ভৌগোলিক সূচ্যাংক লাভ কৰিছে। প্ৰতিবছৰে কমলাৰ উৎপাদকসকলক উৎসাহিত কৰাৰ লগতে ইয়াৰ বজাৰ বৃদ্ধি আৰু প্ৰসাৰৰ বাবে ৰাজ্যখনত এই উৎসৱৰ আয়োজন কৰা হয়। ইয়াৰ বাবে অঞ্চলটোৰ বিভিন্ন স্থানত আটক ধুনীয়াকৈ কমলাৰ বিপণীসমূহ সজাই তোলা হৈছে। উৎসৱৰ অংশ হিচাপে সাংস্কৃতিক অনুষ্ঠান, পৰম্পৰাগত ক্ৰীড়া, আলোচনাচক্ৰ আৰু অ'ৰেঞ্জ কুইন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উদ্বোধনী কাৰ্যসূচী হিচাপে আয়োজিত ১২ কিলোমিটাৰজোৰা দৌৰ প্ৰতিযোগিতাত কমেও ৪০০ লোকে অংশগ্ৰহণ কৰে। ১৯ ডিচেম্বৰত এই উৎসৱৰ সামৰণি পৰিব।

oooooo

চিৰাং জিলাৰ সদৰ কাজলগাঁৱৰ বড়ো লেখক সংস্থাৰ কাৰ্যালয় প্ৰেক্ষাগৃহত কালি বি টি চিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই বড়ো সংগ্ৰহালয় উদ্বোধন কৰে। এই উপলক্ষে বড়ো লেখক সংস্থাৰ সভাপতি ৰাজেন বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত বড়ো জনগোষ্ঠীয় সাহিত্য সন্দৰ্ভত আলোকপাত কৰা হয়। এই সভাতে পদ্মশ্ৰী সন্মানেৰে সন্মানিত ড° মংগল সিং হাজোৱাৰীয়ে সংস্থাৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। উল্লেখযোগ্য যে ২০১৭ চনত বড়ো লেখক সংস্থাই জনগোষ্ঠীটোৰ সমাজত দৈনন্দিন ব্যৱহৃত সামগ্ৰীসমূহৰ বাবে লোৱা পৰিকল্পনা অনুসৰি এই সংগ্ৰহালয় মুকলি কৰা হৈছে।

oooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰত সম্প্ৰতি ২-১ ফলাফলেৰে শৃংখলাত আগবাঢ়ি আছে। আজিৰ খেলখনত বিজয় সাব্যস্ত কৰিব পাৰিলেই ভাৰতে শৃংখলা হস্তগত কৰাটো নিশ্চিত হ'ব। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল পৰহিলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ইপিনে, অসুস্থতাৰ পৰিপ্ৰেক্ষিতত অলৰাউণ্ডাৰ অক্ষৰ পেটেলক শৃংখলাৰ পৰৱৰ্তী দুখন খেলৰ বাবে দলৰ পৰা বাদ দিয়া হৈছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ পুৰুষৰ নিৰ্বাচক কমিটীয়ে খেলুৱৈগৰাকীৰ ঠাইত শ্বাহবাজ আহমেদক দলত অন্তৰ্ভুক্ত কৰাৰ বিষয়ে ঘোষণা কৰিছে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাককসমূহৰ প্ৰথম পৃষ্ঠাত অনান্য খবৰসমূৰ লগতে জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ প্ৰথমটো শুনানি সম্পৰ্কীয় বাতৰিয়ে শিৰোনাম দখল কৰিছে। কালি আদালতত সাতগৰাকী অভিযুক্তক ভাৰ্চুৱেলী হাজিৰ কৰোৱাৰ পাছতেই অহা ২২ডিচেম্বৰত গোচৰটোৰ পৰৱৰ্তী দিন ধাৰ্য কৰা হৈছে। **মৃত্যুৰ সময়ত কভিডত আক্ৰান্ত আছিল জুবিন** শিৰোনামেৰে **আমাৰ অসম** কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। **দৈনিক জনমভূমি** কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম, **আদালতত আৰম্ভ জুবিন হত্যাৰ বিচাৰ। আইনী সেৱা কৰ্তৃপক্ষই দিলে অধিবক্তা।**

**দৈনিক অসম, দৈনিক অগ্ৰদূত, অসমীয়া প্ৰতিদিন , নিয়মীয়া বাৰ্তা আৰু দি চেন্টিনেল** কাকততো জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটোৰ প্ৰথমটো শুনানী সম্পন্ন হোৱাৰ বাতৰিটো গুৰুত্বসহকাৰে প্ৰকাশ কৰা হৈছে। ইফালে ৰাজ্যসভাত উদাত্ত কণ্ঠৰে জুবিন গাৰ্গক ভাৰতৰত্ন দিবলৈ **অগপৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই দাবী কৰা** এটা বাতৰি **অসমীয়া খবৰ** কাকতে আঁচুতীয়াকৈ প্ৰকাশ কৰিছে।

**২০২৬ৰ** বিধানসভা নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহে কুচকাৱাজ অব্যাহত ৰখাৰ সময়তে কালি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে AIUDF দলেৰে মিত্ৰতা অসম্ভৱ বুলি ঘোষণা কৰিছে। **দি আচাম ট্ৰিবিউন** কাকতত এই বাতৰিটোৱে প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। উত্তৰ প্ৰদেশৰ মথুৰা জিলাৰ যমুনা এক্সপ্ৰেছৱেত **১৯**খন বাহনৰ সংঘৰ্ষৰ ফলত **১৩**জন নিহত হোৱাৰ লগতে আন শতাধিক লোক আহত হয়। **দি টাইমচ অব ইণ্ডিয়া** কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ ওভতি যাঁও।

০০০০০০

শিশু সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে কালি ৰাজ্যৰ বিভিন্ন জিলাত ‘সুৰক্ষিত শৈশৱ সোণালী অসম’ শীৰ্ষক ৯০ দিনীয়া বিশেষ সচেতনতা অভিযানৰ শুভাৰম্ভ কৰা হয়। শ্ৰীভূমি জিলাত কালি আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এই অভিযান মুকলি কৰা হয়। জিলা শিশু সুৰক্ষা গোট আৰু জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে শিশুসকলৰ সুৰক্ষা, অধিকাৰ আৰু কল্যাণ সন্দৰ্ভত সমাজৰ সকলো স্তৰৰ লোকৰ মাজত সজাগতা বৃদ্ধিৰ প্ৰয়াস কৰা হয়। পৰৱৰ্তী ৯০ দিনৰ বাবে বিভিন্ন ধৰণৰ কাৰ্যসূচীৰে এই প্ৰয়াস অব্যাহত ৰখা হ’ব। এই অনুষ্ঠানত জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, জিলা আইনসেৱা প্ৰাধিকৰণ আৰু বিভিন্ন শিশু সুৰক্ষা সংস্থাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

০০০০০০

সমগ্ৰ শিক্ষা, শিৱসাগৰৰ উদ্যোগত কালি জিলাখনৰ পাঁচখন পি এম শ্ৰী বিদ্যালয়ৰ ৪৭৭ গৰাকী ছাত্ৰ-ছাত্ৰীক যোৰহাট জিলাৰ স্বৰ্গদেউ চ্যুকাফা সমন্বয় কেন্দ্ৰ আৰু বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান পৰিদৰ্শন কৰোৱা হয়। বাণমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়, পি এম শ্ৰী বৰপাত্ৰ দল উচ্চ মাধ্যমিক বিদ্যালয়, বৰচিলা উচ্চ মাধ্যমিক বিদ্যালয়, আমগুৰি হালোৱাটিং মজদুৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু থানুৰাম গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই ভ্ৰমণত অংশ লয়। ছাত্ৰ-ছাত্ৰীসকলে স্বৰ্গদেউ চ্যুকাফা সমন্বয় ক্ষেত্ৰ, আহোম সংগ্ৰহালয়, হস্তশিল্প আৰু কাৰুশিল্প কেন্দ্ৰ, স্থানীয় শিল্প কলা উদ্যান আৰু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। তেওঁলোকে লগতে যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান পৰিদৰ্শন কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ক ডাঠ কুঁৱলীয়ে আৱৰি ৰখাৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**